কৰা হৈছে। যাৰ ভিতৰত ১১ ৰ পৰা ১৮ বছৰীয়া কিশোৰীসকলৰ পুষ্টি আৰু স্বাস্থ্য উন্নয়নৰ লগতে তেওঁলোকক ব্যৱসায়িক কৌশল শিকোৱা তথা স্বাস্থ্য, ব্যক্তিগত স্বচ্ছতা আৰু পৰিয়াল কল্যাণ সম্পৰ্কে জাগ্ৰত কৰাৰ প্ৰয়াস কৰা হয়। এই আঁচনি দেশৰ ২০০ খন জিলাত ৰূপায়ণ হৈ আছে।

**উদ্দেশ্য :**

- ১১ ৰ পৰা ১৮ বছৰৰ বিদ্যালয়লৈ যোৱা আৰু নোযোৱা কিশোৰীসকলৰ স্বাস্থ্য আৰু পৰিপুষ্টিৰ স্তৰ উন্নত কৰা।
- কিশোৰীসকলৰ জীৱন কৌশল, ঘৰুৱা কৌশল আৰু ব্যৱসায়িক কৌশলৰ বিকাশ সাধন কৰা।
- কিশোৰীসকলক স্বাস্থ্য, পৰিপুষ্টি, সামূহিক আৰু ব্যক্তিগত পৰিচ্ছন্নতা, শিশুৰ যতন, কিশোৰী প্ৰজনন শিক্ষা, লিংগ প্ৰভেদ, ৰোগ নিৰাময়, ঘৰুৱা খৰচৰ হিচাপ, সময় পৰিচালনা ইত্যাদি বিষয়ত জাগ্ৰত কৰা।
- কিশোৰীসকলক জন উপযোগী সেৱা যেনে : ডাকঘৰ, বেংক, আৰ্থিক স্বাৱলম্বনৰ উপায় ইত্যাদিৰ সতে পৰিচিত কৰা।
- বিদ্যালয় ত্যাগ কৰা কিশোৰীসকলক শিক্ষাৰ মূল সুঁতিৰ সতে জড়িত কৰা।

## জননী সুৰক্ষা আঁচনি

ভাৰত চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ বহুতো আঁচনি ৰাষ্ট্ৰীয় গ্ৰামীণ স্বাস্থ্য মিছনৰদ্বাৰা ৰূপায়িত হৈ আছে। এনেদৰে বহুতো কল্যাণকামী আঁচনি ৰূপায়িত হৈ আছে। তাৰ ভিতৰত এটা হ'ল জননী সুৰক্ষা আঁচনি। এই আঁচনি চহৰ তথা গ্ৰাম্য দুয়ো ক্ষেত্ৰতে প্ৰয়োজ্য হৈ আছে।

## বিনামূলীয়া আইনী সাহায্য

প্ৰত্যেক নাগৰিকে সমান সুবিধাৰ লগতে সহজতে ন্যায় পাব লাগে। সংবিধানৰ অনুচ্ছেদ ৩৯ (ক) অনুসাৰে কোনো নাগৰিকে আৰ্থিক বা আন কিবা কাৰণৰ বাবে ন্যায় প্ৰাপ্তিৰ পৰা বঞ্চিত হ'ব নোৱাৰে। এই উদ্দেশ্য পূৰণ কৰিবৰ বাবে কেন্দ্ৰ, ৰাজ্য আৰু জিলা পৰ্য্যায়ত আইন সেৱা প্ৰাধিকৰণ গঠন কৰা হৈছে। ৰাজ্যসমূহত উচ্চ ন্যায়লয় অধীনত তহচিল পৰ্য্যায়লৈকে আইন সেৱা প্ৰাধিকৰণ গঠিত হৈছে।

**উদ্দেশ্য :**

- দুখীয়া, অসহায়, নিপীড়িত সকলক ন্যায়ালয়ত তেওঁৰ বিৰুদ্ধে চলি থকা গোচৰৰ বাবে বিনামূলীয়া আইনী সহায় প্ৰদান কৰা।

## সাক্ষৰ ভাৰত কাৰ্য্যসূচী

ভাৰত চৰকাৰৰ দ্বাৰা ২০০৯ চনৰ ৮ ছেপ্টেম্বৰত আন্তৰ্ৰাষ্ট্ৰীয় সাক্ষৰতা দিৱস উপলক্ষ্যে 'সাক্ষৰ ভাৰত' শুভাৰম্ভ কৰা হয়। এই আঁচনিত আশা কৰা হৈছিল যাতে দেশত থকা ১৫ বছৰৰ ওপৰৰ মহিলা-পুৰুষৰ সাক্ষৰতাৰ হাৰ কমেও ৮০ শতাংশ লক্ষ্যত উপনীত হ'ব পৰা যাব আৰু লগতে মহিলা তথা পুৰুষৰ মাজৰ সাক্ষৰতা হাৰৰ পাৰ্থক্য ১০ শতাংশলৈ হ্ৰাস কৰিব পৰা যাব।

কাৰ্য্যসূচীৰ অন্তৰ্গত মূলত গ্ৰামীণ মহিলা, অনুসূচিত জাতি-জনজাতি, সংখ্যালঘু, অন্য বঞ্চিত বৰ্গ তথা যুৱক-যুৱতী সকলৰ প্ৰতি বিশেষভাৱে মনোযোগ দিয়া হৈছে। লগতে সাক্ষৰতাৰ হাৰ কম হৈ থকা জিলাসমূহত আৰু আদিবাসী অধ্যুষিত অঞ্চলত অগ্ৰাধিকাৰ দিয়া হৈছে।

**উদ্দেশ্য :**

সাক্ষৰ ভাৰত কাৰ্য্যসূচীৰ লক্ষ্যত উপনীত হ'বৰ বাবে তলত দিয়া উদ্দেশ্যসমূহ নিৰ্ধাৰণ কৰা হৈছে।

- ১৫ বছৰ তথা ইয়াৰ ওপৰ বয়সৰ মহিলা-পুৰুষ সকলক পূৰ্ণ সাক্ষৰ কৰা।
- নৱসাক্ষৰসকলক এনেকুৱা সুবিধা প্ৰদান কৰা হ'ব যাৰ দ্বাৰা তেওঁলোকে বুনিয়াদী শিক্ষা লাভ কৰাৰ লগতে আনুষ্ঠানিক শিক্ষাৰ সমমান শিক্ষা লাভ কৰিব পাৰে।
- নিজৰ জীৱনৰ অৱস্থা উন্নত কৰাৰ বাবে তথা আয় বৃদ্ধিৰ বাবে নৱসাক্ষৰসকলক বিভিন্ন কৌশল লাভ কৰাত সহায় কৰা।
- আজীৱন শিক্ষা লাভৰ সুযোগ প্ৰদানৰে সমাজত প্ৰতিষ্ঠা লাভ কৰাত সহায় কৰা।

## জন শিক্ষণ সংস্থান

জন শিক্ষণ সংস্থানে জিলা পৰ্য্যায়ত দক্ষতা বৃদ্ধিৰ প্ৰশিক্ষণ প্ৰদান কৰে। এই সংস্থান সমগ্ৰ দেশত ২৭২ খন জিলাত স্থাপিত হৈছে। জন শিক্ষণ সংস্থান ভাৰত চৰকাৰৰ মানৱ সম্পদ বিকাশ মন্ত্ৰালয়ৰ বিদ্যালয় শিক্ষা আৰু সাক্ষৰতা বিভাগৰ দ্বাৰা পৰিচালিত। সংস্থানৰ কাৰ্য্যক্ৰম জিলাখনৰ চহৰ, উদ্যোগ ক্ষেত্ৰ, কৃষি ক্ষেত্ৰ তথা গাঁও অঞ্চলত সম্প্ৰসাৰিত।

**উদ্দেশ্য :**

- ১৫ ৰ পৰা ৩৫ বছৰৰ সকলো যুৱক-যুৱতীক উৎপাদনমুখী ব্যৱসায়িক প্ৰশিক্ষণ প্ৰদান কৰি স্বাৱলম্বী কৰি তোলা।
- ইয়াৰ মূল লক্ষ্যসমূহ হ'ল চহৰীয়া নগৰীয়া জনগণ, বিশেষকৈ নৱসাক্ষৰ, অৰ্ধসাক্ষৰ, অনুসূচিত জাতি/জনজাতি, মহিলা আৰু ছোৱালী তথা প্ৰবাসী বনুৱা।

## ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা মিছন

ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা মিছনৰ অন্তৰ্গত গ্ৰাম্য অঞ্চলৰ দৰিদ্ৰ সীমৰেখাৰ তলত সকলো পৰিয়ালক স্থায়ী জীৱিকাৰ সুবিধা প্ৰদান কৰাৰ লাগিব। ইয়াৰ বাবে তেওঁলোকৰ কৌশল বিকাশ কৰি সন্মানসহকাৰে জীৱন যাপন কৰিবলৈ সক্ষম কৰি তুলিব লাগিব।

**উদ্দেশ্য :**

- গ্ৰাম্য অঞ্চলৰ দুখীয়া পৰিয়ালক সংগঠিত কৰা।
- কৌশল বিকাশ কৰা, যাতে আত্মনিৰ্ভৰ হ'বলৈ সক্ষম হ'ব পাৰে।
- আত্মনিৰ্ভৰশীলতাৰ বাবে ঋণ আন সহায়তা প্ৰদান কৰা।

ভাৰত চৰকাৰ
ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণ
(বিদ্যালয় শিক্ষা আৰু সাক্ষৰতা বিভাগ)
বিধি আৰু ন্যায় মন্ত্ৰালয় (ন্যায় বিভাগ)
মানৱ সম্পদ বিকাশ মন্ত্ৰালয়, নতুন দিল্লী-১১০০০১ ৰ সহযোগত
ৰাজ্যিক সম্পদ কেন্দ্ৰ অসমৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত
website :: www.mhrd.gov.in,www.Mygov.in
website :: www.srcguwahati.in

সাক্ষৰ ভাৰত

আইনী সাক্ষৰতা শৃংখলা - ১১

# ভাৰত চৰকাৰৰ মুখ্য আঁচনিসমূহ



# ভাৰত চৰকাৰৰ মুখ্য আঁচনিসমূহ

ভাৰত চৰকাৰৰ দ্বাৰা বঞ্চিত শ্ৰেণী, অনসূচিত জাতি/জনজাতিৰ সদস্য, সংখ্যালঘু, মহিলা তথা ক্ষুদ্ৰবৰ্গ নাগৰিকসকলৰ উত্থানৰ বাবে বিভিন্ন আঁচনি ৰূপায়ণ কৰা হয়। ভাৰত চৰকাৰৰ দ্বাৰা ৰূপায়িত কেইখনমান উল্লেখযোগ্য আঁচনি এনেধৰণৰ :

### বেটী বচাও বেটী পঢ়াও :

ভাৰতত যোৱা কিছু বছৰত পুৰুষ-মহিলাৰ অনুপাত অসমানুপাতিক হোৱা দেখা গৈছে। দেশত ১০০০ গৰাকী পুৰুষৰ বিপৰীতে ৯৪৩ গৰাকী মহিলা আছে। এই বাবে ২০১৪ চনৰ ১৫ আগষ্ট তাৰিখে প্ৰধান মন্ত্ৰীয়ে বেটী বচাও বেটী পঢ়াও আঁচনি ঘোষণা কৰে। মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে এইখন ৰূপায়ন কৰিব। ইয়াত সহযোগিতা আগবঢ়াব-স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়, বিদ্যালয় আৰু সাক্ষৰতা বিভাগে।

### মূল উদ্দেশ্য :

- সকলোতকৈ কম কন্যা শিশু থকা ১০০ জিলাত কন্যা সন্তান জন্মৰ হাৰ বঢ়োৱা।
- ৫ বছৰতকৈ কম বয়সৰ ছোৱালীৰ মৃত্যুৰ হাৰ ৮ শতাংশৰপৰা ৫ শতাংশলৈ হ্ৰাস কৰা।
- ছোৱালীসকলক পুষ্টিকৰ আহাৰ যোগান ধৰা।
- শিক্ষাৰ প্ৰতিটো স্তৰতে ছোৱালীৰ সংখ্যা বঢ়োৱা।
- ২০১৭ লৈ সকলো স্কুলতে ছোৱালীৰ বাবে শৌচাগাৰ নিৰ্মাণ কৰা।
- যৌন উৎপীড়নৰ পৰা বচাই ৰখাৰ উপায় উদ্ভাৱন কৰা।

### প্ৰধান মন্ত্ৰী জন ধন যোজনা :

মাননীয় প্ৰধান মন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে ২০১৪ চনৰ ১৫ আগষ্ট তাৰিখে ঘোষণা কৰা প্ৰধান মন্ত্ৰী জন ধন যোজনা (পি এম জে.ডি ওৱাই) বিত্তীয় স্বচ্ছলতা সম্বন্ধীয় এক ৰাষ্ট্ৰীয় মিছন। প্ৰধান মন্ত্ৰী জন ধন যোজনা সম্বন্ধীয় মূল কথাসমূহ তলত দিয়া হ'ল :

### প্ৰধানমন্ত্ৰী জন ধন যোজনাৰ বিশেষ লাভ :

- জিৰো বেলেন্স একাউন্ট
- ৰুপে বা ডেবিট কাৰ্ডৰ সুবিধা
- ১ লাখ টকা দুৰ্ঘটনা বীমাৰ সুৰক্ষা।
- ৩০,০০০ টকা জীৱন বীমাৰ সুৰক্ষা।
- একাউন্ট খুলিবলৈ ন্যূনতম ধনৰাশিৰ আৱশ্যক নহয়।
- একাউন্ট খোলাৰ ৬ মাহলৈ সন্তোষজনকভাৱে চলালে অভাৰ ড্ৰাফটৰ সুবিধা।

### স্বচ্ছ ভাৰত অভিযান

ভাৰতত এশ কোটিতকৈ অধিক লোক বাস কৰে। প্ৰতিজন মানুহে প্ৰতি দিনে আৱৰ্জনা বাহিৰত পেলাই য'ত গোটা আৰু জুলীয়া দুয়োবিধ মিহলি হৈ থাকে। লগতে মুকলিত শৌচ প্ৰস্ৰাৱৰ সমস্যাটো আছেই। চাফ চিকুণ নহ'লে বেমাৰ বিয়পে। সেয়েহে ২ অক্টোবৰ ২০১৪ত প্ৰধান মন্ত্ৰীৰ দ্বাৰা স্বচ্ছ ভাৰত অভিযানৰ শুভাৰম্ভ হয়।

### উদ্দেশ্য :

- মুকলিত মল ত্যাগ বন্ধ কৰা।
- ফ্লাচ থকা শৌচাগাৰ সজা।
- হাতেৰে মল উঠোৱা বা ধোৱা বন্ধ কৰা।
- গোটা আবৰ্জনা একেলগ কৰি সঠিকভাৱে নিষ্কাশণ কৰা।
- জনগণক অংশগ্ৰহণ কৰিবলৈ উৎসাহ যোগোৱা।

### সৰ্বশিক্ষা অভিযান

প্ৰাথমিক শিক্ষা সাৰ্বজনীন কৰিবৰ বাবে ২০০১ চনৰ পৰা ৰূপায়িত সৰ্বশিক্ষা অভিযানতদুগুণে বঢ়াবলৈ চৰকাৰে কিছু সংশোধন কৰা।

- ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ২০০৫ অনুসাৰে পাঠ্যক্ৰম, শৈক্ষিক প্ৰশিক্ষণ, শৈক্ষিক আঁচনি প্ৰস্তুত কৰা।
- এনেকুৱা পৰিবেশ সৃষ্টি কৰক যাতে অনুসূচিত জাতি/জনজাতি, সংখ্যালঘু, বিশেষভাৱে সক্ষম শিশু, বঞ্চিত সম্প্ৰদায়ৰ শিশু, খেতিয়ক, মজদুৰ আৰু সকলো ছোৱালীয়ে শিক্ষাৰ সুফল লাভ কৰিব পাৰে।
- মহিলাৰ অৱস্থা উন্নত হোৱাৰ দৃষ্টিকোণেৰে পাঠ্যক্ৰম পৰিৱৰ্তন কৰা।
- পিতৃ-মাতৃ, শিক্ষক, শিক্ষিত লোক আৰু অন্যান্য ব্যক্তি সৰ্বশিক্ষা অভিযানত অংশগ্ৰহণ কৰিবলৈ নৈতিক হেঁচা দিয়া।

### ৰাষ্ট্ৰীয় সাধন সহ যোগ্যতা ছাত্ৰ বৃত্তি আঁচনি

বঞ্চিত সম্প্ৰদায়ৰ শিশুক মূল ধাৰাৰ লগত জৰিত কৰাবলৈ 'ৰাষ্ট্ৰীয় সাধন সহযোগিতা ছাত্ৰবৃত্তি যোজনা' ২০০৮ৰ মতে আৰম্ভ হৈছিল।

### এই আঁচনিৰ উদ্দেশ্য :

- ৮ম শ্ৰেণীলৈ পঢ়াৰ আগতে পঢ়া বাদ দিয়াৰ পৰম্পৰা ৰোধ কৰিবলৈ আৰ্থিকভাৱে দুৰ্বল সম্প্ৰদায়ৰ প্ৰতিভাশালী ছাত্ৰ-ছাত্ৰীক ছাত্ৰবৃত্তি প্ৰদান কৰা।
- দ্বাদশ শ্ৰেণীলৈ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক স্তৰত পঢ়া-শুনা চলাই যাবলৈ উৎসাহিত কৰা।

### মধ্যাহ্ন ভোজন আঁচনি :

দুখীয়া আৰু বঞ্চিত বৰ্গৰ শিশুসকলক স্কুলত নিয়মিতভাৱে উপস্থিত ৰাখিবলৈ আৰু তেওঁলোকক পুষ্টিকৰ খাদ্য দিবলৈ ১৯৯৫ চনৰ ১৫ আগষ্টৰ পৰা মধ্যাহ্ন ভোজন কাৰ্য্যক্ৰম আৰম্ভ কৰা হৈছিল। ইয়াক ২০০৮-২০০৯ত ৰাষ্ট্ৰীয় মধ্যাহ্ন ভোজন কাৰ্য্যসূচী নামাকৰণ কৰা হয়।

### উদ্দেশ্য :

- শ্ৰেণী কক্ষত শিশুসকল ভোকত নাথাকক কিয়নো ভোকৰ কাৰণে তেওঁলোকে পঢ়াত মন দিব নোৱাৰে।
- শিশুসকলৰ স্বাস্থ্য উন্নত হওক।
- বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আৰু উপস্থিতি দুয়োটাই বাঢ়ক।
- সামাজিক সমতা বঢ়োৱা- বিশেষকৈ ছোৱালীসমূহক পেট ভৰাই খাবলৈ দিয়া।
- খাদ্য প্ৰস্তুতিৰ কাম মহিলাই পাওক।

### ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান :

সাক্ষৰতা বৃদ্ধিৰ বাবে প্ৰাথমিক শিক্ষাৰ পাছত মাধ্যমিক শিক্ষাৰ ব্যৱস্থা কৰাটো জৰুৰী কাম। ২০০৯ চনৰ পৰা ৰ মাৰ্চত মাহত আৰম্ভ হোৱা এই আঁচনি ২০০৯-২০১০ৰ পৰা ৰূপায়ণ কৰা হয়।

### উদ্দেশ্য :

- বিদ্যালয়ত শিশুৰ নামভৰ্তি ৭৫ শতাংশলৈ বৃদ্ধি কৰা।
- মাধ্যমিক শিক্ষাৰ স্তৰ বঢ়োৱা।
- সকলোকে সমান শিক্ষাৰ জৰিয়তে সামাজিক-আৰ্থিক বৈষম্য আৰু বিকলাংগতাৰ বাধাসমূহ দূৰ কৰা।
- ২০১৭ চনত দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ শেষত মাধ্যমিক স্তৰৰ শিক্ষা সকলোৰে বাবে উপলব্ধ কৰা।

### মহিলা সমখ্যা

মহিলাসকলৰ স্থিতিৰ আমূল পৰিবৰ্তন আনিবৰ বাবে ১৯৮৮-১৯৮৯ ত মহিলা সমখ্যা আঁচনি আৰম্ভ কৰা হৈছিল। এইখন এখন আৱশ্যকীয় আঁচনি। এই আঁচনি ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ অধীনত কৰা হৈছে যাতে শিক্ষাৰ প্ৰক্ৰিয়াত ছোৱালীৰ অংশগ্ৰহণ বৃদ্ধি হয়।

### উদ্দেশ্য :

- গ্ৰামীণ মহিলাসকলক শিক্ষাৰ সুবিধা দিয়া আৰু তেওঁলোকক শক্তিশালী কৰা।
- মহিলা সংঘ গঠন কৰা য'ত তেওঁলোক মিলিত হৈ নিজৰ মনোভাৱ ব্যক্ত কৰিব পাৰে আৰু দৰকাৰী বিষয় (যেনে : শিক্ষা,কৰ্ম সংস্থান, স্বাস্থ্য ইত্যাদি)ত আলোচনা কৰিব পাৰিব।
- পৰিয়াল, সম্প্ৰদায়, পঞ্চায়ত আৰু গাঁও পৰ্য্যায়ত এনেকুৱা কাৰ্য্যসূচী ৰূপায়ণ কৰা যাৰ দ্বাৰা মানুহৰ সজাগতা বাঢ়ে।
- শিশু (বিশেষকৈ ছোৱালী) সকল যাতে বিদ্যালয়লৈ যায়, পঢ়া সম্পূৰ্ণ কৰে।

### সবল আঁচনি

মহিলা আৰু শিশু বিকাশ মন্ত্ৰাণালয়ৰ দ্বাৰা ২০০০ বৰ্ষৰ পৰা দেশৰ কিশোৰীসকলৰ বাবে বিভিন্ন আঁচনি ৰূপায়ণ